নটোৰ বাণী

সাৰ্থক কৰাৰ একমাত্ৰ
হ'ল সোনকালে বিছনা
গ কৰি শ্ৰম কৰা।

— জে এম পাৱাৰ

অসম আদিত্য

RNI REGN. No.
epaper.a
Portal : ww
e-mail : aso

পুৱা ঘাঁহনিত
কাঢ়িলে শৰী
আঙুলিত পৰে
উজ্জ্বল হয়। সে
চকুৰ উ

হৱ ■ সংখ্যা ২৮৯ ■ ৮ কাতি, ১৯৪৬ শক ■ শুকুৰবাৰ, ২৫ অক্টোবৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Friday, October 25, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত

## কানৈ মহাবিদ্যালয়ত ৰাষ্ট্ৰসংঘ দিৱসৰ অনুষ্ঠানত দিল্লীৰ লক্ষ্মীবাঈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভাটচালা

# ভাৰতীয় জ্ঞান ব্যৱস্থাই মানুহৰ প্ৰাৰম্ভিক দেৱত্বত বিশ্বাস কৰে

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ অক্টোবৰ ঃ** 'ভাৰতীয় জ্ঞান ব্যৱস্থাই মানুহৰ প্ৰাৰম্ভিক দেৱত্বত বিশ্বাস কৰে আৰু ইয়াৰ বিকাশৰ দিশত এই ব্যৱস্থাই কাম কৰে।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত ইউনেস্ক' এছ'চিয়েশ্যন, গুৱাহাটী, ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰ, ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, আন্তঃৰাষ্ট্ৰীয় আৰু উদ্যোগ সম্পদ কেন্দ্ৰ, দিল্লীস্থিত লক্ষ্মীবাই মহাবিদ্যালয়ৰ উদ্যোগত আৰু কানৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগ, হিন্দী বিভাগ, ৰাজনীতি বিজ্ঞান বিভাগ আৰু বিচিএ বিভাগৰ সহযোগত আজি উদযাপন কৰা 'ৰাষ্ট্ৰসংঘ দিৱস'ত মুখ্যবক্তা হিচাপে উপস্থিত থাকি দিল্লী বিশ্ববিদ্যালয়ৰ অধীনৰ লক্ষ্মীবাঈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ প্ৰত্যুষ ভাটচালাই এইদৰে কয়। 'ভাৰতীয় জ্ঞান ব্যৱস্থা' শীৰ্ষক বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰি অধ্যক্ষ ড০ ভাটচালাই কয়— ভাৰতীয় জ্ঞান ব্যৱস্থাই আমাক জীৱনৰ অন্তিম লক্ষ্য প্ৰাপ্তিত সহায় কৰে, যিটো হৈছে চৰম সুখৰ অনুভূতি। তেওঁ কয়— প্ৰাচীন ভাৰতীয় জ্ঞান ব্যৱস্থাৰ বহুখিনি বিশেষত্ব আছে। ভাৰতীয় জ্ঞান ব্যৱস্থাৰ ভেঁটিস্বৰূপ বেদসমূহৰ সৃষ্টিৰ বৈশিষ্ট্যও মন কৰিবলগীয়া। এই বেদসমূহ কোনেও লিখি সৃষ্টি কৰা নাছিল। এই বেদৰ মন্ত্ৰসমূহ ঋষি-মুণিসকলে ধ্যান কৰাৰ সময়ত তেওঁলোকৰ সন্মুখত প্ৰকাশ পাইছিল, যিবোৰ পিছলৈ বিস্তৃত ৰূপত ভাঙনি কৰা হয়। অধ্যক্ষগৰাকীয়ে কয়— ভাৰতীয় জ্ঞান ব্যৱস্থাই শিক্ষাৰ চাৰিটা স্তম্ভ যেনে— জানিবৰ বাবে শিকা, কৰিবলৈ শিকা, একেলগ হৈ থাকিবলৈ শিকা আৰু সঁচা অৰ্থত মানুহ হ'বলৈ শিকা এইসমূহ কিধৰণে লাভ কৰিব পাৰি তাৰ বিষয়েও উল্লেখ কৰিছে। মুখ্যদ্বাৰৰ পৰা গায়ন-বায়ন আৰু এনচিচিৰ কেডেটে উষ্ম আদৰণি জনাই সভাগৃহলৈ অনা অনুষ্ঠানটিত অধ্যক্ষ ড০ ভাটচালাই ছাত্ৰ-ছাত্ৰীসকলক ভাগৱত গীতা বা তেনেধৰণৰ গ্ৰন্থ, কাহিনী পঢ়ি তেওঁলোকৰ ভিতৰত সঠিক মূল্যবোধৰ সঞ্চাৰ কৰিবলৈও পৰামৰ্শ দিয়ে। মহাবিদ্যালয়ৰ অধ্যাপিকা ড০ লক্ষীমা দেউৰী আৰু ড০ চয়ণিকা গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটিত উদ্বোধনী ভাষণ প্ৰদান কৰে ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। অনুষ্ঠানটিত লক্ষ্মীবাই মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড০ সুনিল কুমাৰ মিশ্ৰ, কাচিয়ানা ফাইণ্ডেশ্যনৰ ফাউণ্ডাৰ সুমিত অংকুৰ সিং উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি মননশীল বক্তৃতা প্ৰদান কৰে। অধ্যক্ষ ড০ ভাটচালাকে প্ৰমুখ্য কৰি আটাইকেইগৰাকী অতিথিক ফুলাম গামোচা, কিতাপৰ টোপোলা আৰু প্ৰশংসা-পত্ৰৰে উষ্ম সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক ড০ মৃদুল শৰ্মা, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড০ জ্যোতিপ্ৰসাদ ফুকনকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে অনুষ্ঠানটিত আটাইকেইগৰাকী বক্তাই ছাত্ৰ-




ছাত্ৰীসকলৰ লগত মত-বিনিময় কৰাৰ লগতে লক্ষ্মীবাই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভাটচালাই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা প্ৰস্তুত কৰা চকলেটৰ দুটি টোপোলা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষক প্ৰদান কৰে। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড০ চয়ণিকা গোস্বামীয়ে।